**NSD NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 20-02-2025
**Time :** 0705 Hrs

***Assamese Morning Bulletin***
***Headlines***

১।	ৰেখা গুপ্তাই আজি নতুন দিল্লীৰ ঐতিহাসিক ৰামলীলা ময়দানত দিল্লীৰ নতুন মুখ্যমন্ত্ৰী হিচাপে শপত গ্ৰহণ কৰিব।

২।	প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কাইলৈ নতুন দিল্লীৰ ভাৰত মণ্ডপমত ছ্‌'ল লীডাৰশ্বিপ শীৰ্ষ সন্মিলনৰ প্ৰথম সংস্কৰণ মুকলি কৰিব।

৩।	ভাৰতৰ ৰাষ্ট্ৰীয় কাৰিকৰী অভিযানে উন্নত মানৰ উৎপাদনেৰে বস্ত্ৰ উদ্যোগ খণ্ডত বৈপ্লৱিক পৰিৱৰ্তনৰ সূচনা কৰিছে।

৪।	মধ্যপ্ৰদেশৰ বালাঘাট জিলাত কালি সুৰক্ষা বাহিনীৰ সৈতে হোৱা এটা সংঘৰ্ষত তিনিজন নক্সালবাদী নিহত হয়।

**আৰু**

৫।	নিউজিলেণ্ডে যোৱা নিশা আই চি চি চেম্পিয়নছ ট্ৰফী ক্ৰিকেট প্ৰতিযোগিতাৰ এখন খেলত পাকিস্তানক ৬০ ৰাণত পৰাস্ত কৰে।

০০০০০

ৰেখা গুপ্তাই আজি নতুন দিল্লীৰ ঐতিহাসিক ৰামলীলা ময়দানত দিল্লীৰ নতুন মুখ্যমন্ত্ৰী হিচাপে শপত গ্ৰহণ কৰিব। ৰেখা গুপ্তা - সুষমা স্বৰাজ, শীলা দীক্ষিত আৰু আতিশীৰ পাছত দিল্লীৰ চতুৰ্থগৰাকী মহিলা মুখ্যমন্ত্ৰী হ'ব। কালি বিয়লি দিল্লী বিজেপিৰ বিধায়িনী দলৰ নেত্ৰী হিচাপে বাছনি লাভ কৰাৰ পাছত ৰেখা গুপ্তাই উপ-ৰাজ্যপাল বিনয় কুমাৰ ছাক্সেনাক সাক্ষাৎ কৰে আৰু চৰকাৰ গঠনৰ বাবে দাবী জনায়।

উপ-ৰাজ্যপালে আজি দুপৰীয়া ১২ বাজি ৩৫ মিনিটত শ্ৰীমতী গুপ্তাক পদ আৰু গোপনীয়তা ৰক্ষাৰ শপত বাক্য পাঠ কৰাব। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী, গৃহমন্ত্ৰী অমিত শ্বাহ আৰু প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে শপত গ্ৰহণ অনুষ্ঠানত ভাগ ল'ব। প্ৰায় ২০খন ৰাজ্যৰ মুখ্যমন্ত্ৰী আৰু উপ-মুখ্যমন্ত্ৰীসকলকো শপত গ্ৰহণ অনুষ্ঠানলৈ নিমন্ত্ৰণ কৰা হৈছে। ৰেখা গুপ্তাই দিল্লী বিধানসভাৰ সদ্যসমাপ্ত নিৰ্বাচনত শালিমাৰবাগ সমষ্টিৰ পৰা জয়ী হৈছে। তেওঁ ১৯৯২ চনত এ বি ভি পিৰ সৈতে দিল্লী বিশ্ববিদ্যালয়ৰ দৌলত ৰাম মহাবিদ্যালয়ৰ পৰা ৰাজনৈতিক যাত্ৰা আৰম্ভ কৰিছিল। তেওঁ দিল্লী বিশ্ববিদ্যালয়ৰ ছাত্ৰ সংঘৰ অধ্যক্ষ আছিল। ৰেখা গুপ্তাই লগতে দিল্লীৰ বিজেপি মহিলা মৰ্চাৰ সাধাৰণ সম্পাদক হিচাপেও কাৰ্যনিৰ্বাহ কৰিছিল।

ৰেখা গুপ্তাৰ নাম দিল্লীৰ পৰৱৰ্ত্তী মুখ্যমন্ত্ৰী হিচাপে ঘোষণা কৰাৰ পাছত কালি কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহকে ধৰি কেইবাগৰাকীও বিজেপি নেতাই তেওঁক শুভেচ্ছা জ্ঞাপন কৰে। সামাজিক মাধ্যমযোগে দিয়া এটা শুভেচ্ছা বাৰ্তাত গৃহমন্ত্ৰী অমিত শ্বাহে ৰেখা গুপ্তাৰ প্ৰতি পূৰ্ণ আস্থা প্ৰকাশ কৰে। তেওঁ কয় যে বিজেপিৰ নতুন মুখ্যমন্ত্ৰীগৰাকীয়ে দিল্লীক বিশ্বৰ শীৰ্ষৰ ৰাজধানী হিচাপে গঢ়ি তোলাৰ বাবে প্ৰধানমন্ত্ৰী মোদীয়ে গ্ৰহণ কৰা সংকল্প অনুযায়ী নিষ্ঠাৰে কাম কৰিব।

তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰী অশ্বিনী বৈষ্ণৱেও শ্ৰীমতী গুপ্তাক শুভেচ্ছা জ্ঞাপন কৰিছে। শ্ৰীবৈষ্ণৱে সামাজিক মাধ্যমযোগে কয় যে দিল্লীত তথ্যপ্ৰযুক্তি খণ্ডৰ বাবে অনুকূল বাতাবৰণ গঢ়ি তুলিবলৈ আৰু ৰে'লৰেৰ বিকাশৰ বাবে নেত্ৰীগৰাকীৰ সৈতে একেলগে কাম কৰিবলৈ তেওঁ আগ্ৰহেৰে বাট চাই আছে। কৃষি আৰু কৃষক কল্যাণ  মন্ত্ৰী শিৱৰাজ সিং চৌহানে এটা বাৰ্তাত কয় যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত নতুন মুখ্যমন্ত্ৰী ৰেখা গুপ্তাই প্ৰগতি আৰু উন্নয়নৰ নতুন শিখৰত উপনীত হৈ নতুন ইতিহাস ৰচনা কৰিব।

দিল্লীৰ বিদায়ী মুখ্যমন্ত্ৰী আতিশী আৰু আম আদমী পাৰ্টিৰ ৰাষ্ট্ৰীয় আহ্বায়ক অৰবিন্দ কেজৰিৱালেও ৰেখা গুপ্তাক অভিনন্দন জ্ঞাপন কৰিছে। তেওঁলোকে লগতে নেত্ৰীগৰাকীয়ে নিৰ্বাচনী প্ৰচাৰত দিয়া সকলো প্ৰতিশ্ৰুতি পূৰণ কৰিব বুলি আশা প্ৰকাশ কৰিছে।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কাইলৈ নতুন দিল্লীৰ ভাৰত মণ্ডপমত ছ্'ল লীডাৰশ্বিপ শীৰ্ষ সন্মিলনৰ প্ৰথম সংস্কৰণ মুকলি কৰিব। এই সন্মিলনত ভূটানৰ প্ৰধানমন্ত্ৰী ডাশ্বো ছেৰিং টোবগেই মুখ্য অতিথি হিচাপে মূল ভাষণ প্ৰদান কৰিব। এই দুদিনীয়া সন্মিলনে ৰাজনীতি, ক্ৰীড়া, কলা আৰু সংবাদ মাধ্যম, আধ্যাত্মিক জগত, ৰাজহুৱা নীতি, ব্যৱসায় আৰু সামাজিক খণ্ডৰ দৰে বিভিন্ন ক্ষেত্ৰৰ বিশিষ্ট ব্যক্তিসকলক নিজৰ প্ৰেৰণাদায়ক জীৱনযাত্ৰাৰ কথা ভগাই লোৱাৰ মঞ্চ ৰূপে কাম কৰিব। সন্মিলনখনে সহযোগিতা আৰু চিন্তাধাৰাকেন্দ্ৰিক নেতৃত্বৰ বাবে অনুকূলতন্ত্ৰৰ প্ৰসাৰত সহায় কৰিব। ইয়াৰ জৰিয়তে বিফলতা আৰু সফলতা উভয়ৰে পৰা শিক্ষা লাভৰ সুযোগ পোৱা যাব। এনে শিক্ষাই সন্মিলনত ভাগ লোৱা যুৱ শ্ৰোতাসকলক অনুপ্ৰেৰণা যোগাব বুলি আশা কৰা হৈছে।

০০০০০

নৱম এছিয়া অৰ্থনৈতিক আলোচনা আজিৰে পৰা মহাৰাষ্ট্ৰৰ পুণেত অনুষ্ঠিত  হ'ব। এছিয়া অৰ্থনৈতিক আলোচনা বিদেশ পৰিক্ৰমা মন্ত্ৰালয়ৰ ভূ-অৰ্থনীতি বিষয়ক ট্ৰেক ওৱান পইণ্ট ফাইভ শীৰ্ষক বাৰ্ষিক ধ্বজাবাহী আলোচনাৰ অংশ। পুণে আন্তঃৰাষ্ট্ৰীয় কেন্দ্ৰৰ সহযোগত এই তিনিদিনীয়া আলোচনাৰ আয়োজন কৰা হৈছে। এই আলোচনাৰ মূল বিষয়বস্তু হৈছে - বিখণ্ডনৰ যুগত অৰ্থনৈতিক স্থিতিস্থাপকতা আৰু পুনৰুদ্ধাৰ। এই দুদিনীয়া আলোচনাত কৃত্ৰিম বুদ্ধিমত্তা, চাইবাৰ সুৰক্ষাৰ অৰ্থনৈতিক বাধ্যবাধকতা আৰু ভাৰত মহাসাগৰ অঞ্চল তথা সামুদ্ৰিক অৰ্থব্যৱস্থাৰ বিভিন্ন দিশ সামৰি লোৱা হ'ব।

০০০০০

ভাৰতৰ ৰাষ্ট্ৰীয় কাৰিকৰী বস্ত্ৰ অভিযানে উন্নত মানৰ বস্ত্ৰ উৎপাদনেৰে বস্ত্ৰ উদ্যোগখণ্ডত বৈপ্লৱিক পৰিৱৰ্তন আনিবলৈ সাজু হৈছে। এই অভিযানৰ অধীনত অগ্নি প্ৰতিৰোধী আৰু নিজে পৰিস্কাৰ হোৱা প্ৰযুক্তিগত কাপোৰ তৈয়াৰ কৰা হ'ব। কালি ভীৱানীস্থিত বস্ত্ৰ আৰু বিজ্ঞান প্ৰযুক্তিবিদ্যা প্ৰতিষ্ঠানত আয়োজিত ৰাষ্ট্ৰীয় বস্ত্ৰ সন্মিলনত ভাষণ দি  সঞ্চালক অশোক মালহোত্ৰাই কয় যে, এই উদ্ভাৱনী সামগ্ৰীসমূহ অতি সোনকালে বৃহৎ পৰিসৰত উৎপাদন কৰা হ'ব। তেঁও লগতে জানিবলৈ দিয়ে যে কাৰিকৰী বস্ত্ৰ উৎপাদনৰ বাবে প্ৰায় ডেৰ হাজাৰ কোটি টকাৰ বাজেট আবণ্টন দিয়া হৈছে।

০০০০০

বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ্ জয়শংকৰ দক্ষিণ আফ্ৰিকাৰ আন্তঃৰাষ্ট্ৰীয় সম্পৰ্ক আৰু সহযোগিতা মন্ত্ৰী ৰোনাল্ড লামোলাৰ আমন্ত্ৰণ মৰ্মে জি-২০ ৰাষ্ট্ৰগোষ্ঠীৰ বিদেশ মন্ত্ৰীসকলৰ বৈঠকত অংশগ্ৰহণ কৰাৰ উদ্দেশ্যে আজি দুদিনীয়া ভ্ৰমণসূচীৰে জোহান্সবাৰ্গলৈ বুলি ৰাওনা হ'ব। বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ে প্ৰকাশ কৰা মতে বিদেশ মন্ত্ৰীসকলৰ বৈঠকত ড০ জয়শংকৰৰ অংশগ্ৰহণে জি-২০ ৰাষ্ট্ৰসমূহৰ সৈতে ভাৰতৰ সম্পৰ্ক শক্তিশালী কৰিব আৰু এই গুৰুত্বপূৰ্ণ মঞ্চত গ্ল'ৱেল চাউথ ৰূপে পৰিচিত অৰ্থনীতি আৰু ঔদ্যোগিক দিশৰ পৰা তুলনামূলক ভাৱে কম উন্নত ৰাষ্ট্ৰসমূহৰ কণ্ঠ সুদৃঢ় কৰিব। ড০ জয়শংকৰে বিদেশ মন্ত্ৰীসকলৰ বৈঠকত ভাগ লোৱাৰ আপাহতে কেইবাখনো দ্বিপাক্ষিক বৈঠকতো মিলিত হোৱাৰ সম্ভাৱনা আছে।

০০০০০

মধ্যপ্ৰদেশৰ বালাঘাট জিলাত কালি হক বাহিনী আৰু জিলা আৰক্ষী বাহিনীৰ সৈতে হোৱা এটা সংঘৰ্ষত তিনিগৰাকী নক্সালবাদী নিহত হয়। নিহত আটাইকেইগৰাকী নক্সালবাদী মহিলা। গাঢ়ী থানাৰ অন্তৰ্গত ছুপখাৰ বনাঞ্চলিক কাৰ্যালয়ৰ ৰৌণ্ডা বন শিবিৰৰ সমীপত এই ঘটনা সংঘটিত হয়। অভিযানকাৰী দলে নিহত নক্সালবাদীৰ দলটোৰ পৰা এটা INSAS ৰাইফল, এটা SLR ৰাইফল, এটা পইন্ট 303 ৰাইফল জব্দ কৰিছে।

০০০০০

পাকিস্তানৰ বেলুচিস্তান প্ৰদেশত কালি এজন অচিনাক্ত বন্দুকধাৰীয়ে এখন বাছত যাত্ৰীসকলৰ পৰিচয় পত্ৰ পৰীক্ষা কৰাৰ পাছত কমেও ৭ জন যাত্ৰীক গুলীয়াই হত্যা কৰে। বিষয়াসকলে জনোৱা মতে, বাছখনে প্ৰদেশখনৰ ৰাজধানী কুৱেট্টাৰ পৰা পাকিস্তানৰ পঞ্জাৱ প্ৰদেশলৈ যাত্ৰা কৰাৰ সময়ত দুৰ্বৃত্তই বৰখান অঞ্চলত এই হত্যাকাণ্ড সংঘটিত কৰে। বৰখানৰ উপ আয়ুক্তগৰাকীয়ে এই ঘটনা আৰু নিহতৰ সংখ্যা নিশ্চিত কৰে।

০০০০০

ইজৰাইলৰ প্ৰধানমন্ত্ৰী বেঞ্জামিন নেতান্যাহুৱে হামাছৰ সৈতে যুদ্ধবিৰতিৰ দ্বিতীয় পৰ্যায়ৰ আলোচনাৰ নেতৃত্ব দিবলৈ এজন ঘনিষ্ঠ আত্মীয়ক নিযুক্তি দিছে বুলি দেশখনৰ এজন চৰকাৰী বিষয়াই জানিবলৈ দিছে । আলোচনাৰ বাবে নিযুক্তি দিয়া ৰন ডাৰ্মাৰ এজন কেবিনেট মন্ত্ৰী আৰু প্ৰধানমন্ত্ৰী নেতানিয়াহুৰ ঘনিষ্ঠ উপদেষ্টা। ইয়াৰ পূৰ্বে তেওঁ আমেৰিকাত ইজৰাইলৰ ৰাষ্ট্ৰদূত হিচাপে কাৰ্যনিৰ্বাহ কৰিছিল আৰু হোৱাইট হাউছৰ সৈতে সু-সম্পৰ্ক থকা এজন প্ৰাক্তন ৰিপাব্লিকান কৰ্মী। উল্লেখযোগ্য যে ইজৰাইল আৰু হামাছে এতিয়াও যুদ্ধবিৰতিৰ দ্বিতীয় পৰ্যায়ৰ আলোচনা আগবঢ়োৱা নাই। প্ৰথম পৰ্যায়ৰ আলোচনা যোৱাবছৰৰ মাৰ্চতে শেষ হৈছিল। ২০২৩ চনৰ ৭ অক্টোবৰত হামাছৰ আক্ৰমণৰ ফলত গাজাত যুদ্ধৰ সূচনা হোৱাৰ পিছৰে পৰা গাজা আৰু লেবাননত ৫০ হাজাৰতকৈ অধিক লোকৰ মৃত্যু হৈছে আৰু গাজাৰ প্ৰায় ৭০ শতাংশ অট্টালিকা ধ্বংসপ্ৰাপ্ত হৈছে বুলি গাজা আৰু লেবাননৰ স্বাস্থ্য মন্ত্ৰালয়ে প্ৰকাশ কৰিছে। ২০২৩ চনৰ ৭ অক্টোবৰৰ আক্ৰমণৰ সময়ত ইজৰাইলত প্ৰায় ১২০০ লোক নিহত হৈছিল।

০০০০০

আমেৰিকাৰ ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পে ইউক্ৰেইনৰ ৰাষ্ট্ৰপতি ভ'ল'ডিমিৰ জেলেনস্কিক ইউক্ৰেইনত চলি থকা যুদ্ধৰ বাবে দোষাৰোপ কৰি তেওঁক এজন অযোগ্য নেতা আৰু দুৰ্বল মধ্যস্থতাকাৰী বুলি অভিহিত কৰে। যুদ্ধৰ অন্ত পেলোৱাৰ উপায়ৰ বিষয়ে আলোচনা কৰাৰ লক্ষ্যৰে ৰিয়াদত অনুষ্ঠিত আমেৰিকা-ৰাছিয়াৰ শান্তি আলোচনাৰ পৰা ইউক্ৰেইনক বাদ দিয়াৰ বাবে জেলেনস্কিয়ে প্ৰতিক্ৰিয়া প্ৰকাশ কৰাৰ পিছতেই ট্ৰাম্পে এই মন্তব্য কৰে। আনহাতে, ইউক্ৰেইনৰ ৰাষ্ট্ৰপতি জেলেনস্কিয়ে ট্ৰাম্পক উত্তৰ দি কয় যে যদিও তেওঁ আমেৰিকাৰ ৰাষ্ট্ৰপতি আৰু আমেৰিকাৰ জনসাধাৰণক সন্মান কৰে কিন্তু ট্ৰাম্পে দুৰ্ভাগ্যজনকভাৱে ৰাছিয়াই সৃষ্টি কৰা ভুল তথ্যক বিশ্বাস কৰে। ইফালে ৰাছিয়াৰ সংবাদ মাধ্যমৰ বাতৰি অনুসৰি ৰাছিয়াৰ ৰাষ্ট্ৰপতি ভ্লাদিমিৰ পুটিনে কয় যে ইউক্ৰেইন সন্দৰ্ভত তেঁও পুনৰ আলোচনাত বহিবলৈ সাজু।

০০০০০

আই চি চি চেম্পিয়নছ ট্ৰফী ক্ৰিকেট প্ৰতিযোগিতাৰ নৱম সংস্কৰণৰ প্ৰথমখন খেলত যোৱা নিশা নিউজিলেণ্ডে যোৱা বাৰৰ চেম্পিয়ন পাকিস্তানক ৬০ ৰাণত পৰাস্ত কৰে। কৰাছীত অনুষ্ঠিত খেলখনত পাকিস্তানে টছত জিকি প্ৰথমে ফিল্ডিং কৰাৰ সিদ্ধান্ত লৈ নিউজিলেণ্ডক নিয়ন্ত্ৰণত ৰখাৰ বাবে যথেষ্ট সংঘৰ্ষ কৰিবলগীয়া হয়। নিউজিলেণ্ডে নিৰ্ধাৰিত ৫০ অভাৰত পাঁচটা উইকেট হেৰুৱাই ৩২০ ৰাণ সংগ্ৰহ কৰে। নিউজিলেণ্ডৰ হৈ উইলিয়াম ইয়ঙে ১০৭ ৰাণৰ বৰঙণি আগবঢ়ায়। টম লাথামে সৰ্বাধিক ১১৮ ৰাণ কৰি আউট নোহোৱাকৈ থাকে। পাকিস্তানৰ নছিম শ্বাহ আৰু হাৰিছ ৰওফে দুটাকৈ উইকেট দখল কৰে।

প্ৰত্যুত্তৰত পাকিস্তানে ৪৭ অভাৰ আৰু দুটা বলত আটাইকেইটা উইকেট হেৰুৱাই ২৬০ ৰাণহে কৰিবলৈ সমৰ্থ হয়। পাকিস্তানৰ বাবৰ আজমে ৬৪ আৰু খুছদিল শ্বাহে ৬৯ ৰাণ কৰে। নিউজিলেণ্ডৰ হৈ অধিনায়ক মিচেল ছেণ্টনাৰ আৰু উইলিয়াম অ'ৰুৰ্কেই তিনিটাকৈ উইকেট লয়। টম লাথামক প্লেয়াৰ অব দ্য মেচ হিচাপে ঘোষণা কৰা হয়। ৰোহিত শৰ্মা নেতৃত্বাধীন ভাৰতীয় ক্ৰিকেট দল আজি ডুবাই আন্তঃৰাষ্ট্ৰীয় খেলত হ'বলগীয়া প্ৰতিযোগিতাৰ নিজৰ প্ৰথমখন খেলত বাংলাদেশৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন ভাৰতীয় সময় অনুসৰি দিনৰ আঢ়ৈ বজাত আৰম্ভ হ'ব।

০০০০০

সমাপ্ত